Total number of printed pages —7

**63/1 (Sem-4) CC9/ASMHC4096**

**2024**

# ASSAMESE

Paper : ASMHC4096

***(Language Varieties)***

*Full Marks : 80*

*Pass Marks : 32*

Time : 3 hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ *(যিকোনো ছয়টা)* ১×৬=৬

(ক) ভাষাৰ সংকীৰ্ণতম ৰূপ হ'ল–

*(i)* ৰাজ্য ভাষা

*(ii)* ৰাষ্ট্ৰ ভাষা

*(iii)* ব্যক্তি ভাষা

*(iv)* আঞ্চলিক উপভাষা

*Contd.*

(খ) এছপিৰেন্টো ভাষাটো কিমান চনত আবিষ্কৃত হৈছিল?

*(i)* ১৮৭৮ চনত

*(ii)* ১৮৮৭ চনত

*(iii)* ১৯৮৭ চনত

*(iv)* ১৮৮৬ চনত

(গ) 'A study on Kamrupi Dialect'–গ্ৰন্থখনৰ লিখক কোন?

*(i)* ড. বাণীকান্ত কাকতি

*(ii)* ড. গোলোক চন্দ্ৰ গোস্বামী

*(iii)* ড. ৰমেশ পাঠক

*(iv)* ড. উপেন্দ্ৰ নাথ গোস্বামী

(ঘ) কামৰূপী উপভাষাত শ্বাসাঘাত শব্দৰ কোনটো অক্ষৰত পৰে?

*(i)* অন্ত্য অক্ষৰত

*(ii)* মধ্য অক্ষৰত

*(iii)* কোনো অক্ষৰত নপৰে

*(iv)* আদি অক্ষৰত



(ঙ) বৰ্তমানৰ অসমীয়া ভাষাৰ মান্য ৰূপটো কোন অঞ্চলৰ কথিত ৰূপৰ ওপৰত ভিত্তি কৰি গঢ় লোৱা।

*(i)* ধুবুৰী

*(ii)* গুৱাহাটী

*(iii)* নগাওঁ

*(iv)* শিৱসাগৰ

(চ) ড. উপেন্দ্ৰ নাথ গোস্বামীয়ে অসমীয়া ভাষাক প্ৰধানকৈ কেইটা ভাগত ভাগ কৰিছে?

*(i)* তিনিটা

*(ii)* দুটা

*(iii)* চাৰিটা

*(iv)* পাঁচটা

(ছ) গোৱালপৰীয়া উপভাষাত বিশিষ্ট স্বধ্বনি কেইটা?

*(i)* ৬টা

*(ii)* ৮টা

*(iii)* ৭টা

*(iv)* ১১টা

(জ) 'Language is a system arbitrary vocal symbols by which members of a social group co-operate and interact.'–কোনে কৈছে?

*(i)* Leonard Boomfield

*(ii)* John Lyons

*(iii)* Sturtevent

*(iv)* I. G. S. Taraporewala

(ঝ) -গুলান / -গুলা তলৰ কোনটো ভাষাৰ বহু বচনবাচক প্ৰত্যয়?

*(i)* বৰো

*(ii)* ৰাভা

*(iii)* মিছিং

*(iv)* গোৱালপৰীয়া

(ঞ) তলৰ কোনটো মাধ্যম ভাষাৰ দৃশ্য-শ্ৰব্য মাধ্যমঃ

*(i)* বাতৰি কাকত

*(ii)* ৰেডিঅ'

*(iii)* আলোচনী

*(iv)* দূৰদৰ্শন



২। চমু উত্তৰ দিয়া ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) ভাষাৰ আলোচনাত যাদৃচ্ছিক কথাই কি বুজায়?

(খ) *দুটা* ক্ৰেওলীয় ভাষাৰ নাম লিখা।

(গ) ৰাজ্য ভাষা কাক বোলে? অসমৰ ৰাজ্য ভাষা কি?

(ঘ) *দুটা* আন্তৰাষ্ট্ৰীয় কৃত্ৰিম ভষাৰ নাম লিখা।

(ঙ) অসমৰ *দুটা* নৃগোষ্ঠীয় উপভাষাৰ নাম লিখা।

(চ) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা *দুটা* অলন্দাজ শব্দ লিখা।

(ছ) অসমীয়া বাতৰি পৰিবেশন কৰা *দুটা* দৃশ্য-শ্ৰব্য মাধ্যমৰ নাম লিখা।

৩। তলৰ *যিকোনো ছয়টা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×৬=৩০

(ক) ভাষাৰ আলোচনাত 'পাটোই' (Patois) আৰু 'পাৰ্লে' (Parler) কি বুজায়? উদাহৰণসহ আলোচনা কৰা।

(খ) উপভাষা সৃষ্টিৰ কাৰক সমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(গ) মান্য অসমীয়া ভাষাৰ সৈতে গোৱালপৰীয়া উপভাষাৰ *যিকোনো পাঁচোটা* পাৰ্থক্যৰ কথা উল্লেখ কৰা।

(ঘ) মান্য অসমীয়া ভাষাৰ সৈতে কামৰূপী উপভাষাৰ *যিকোনো পাঁচটা* পাৰ্থক্যৰ বিষয়ে লিখা।

(ঙ) চমুটোকা লিখাঃ- ৰাষ্ট্ৰভাষা (National Language), উমৈহতীয়া ভাষা (Lingua Franca)

(চ) আঞ্চলিক ভাষাৰ বিষয়ে চমুকৈ আলাচনা কৰা।

(ছ) মান্য অসমীয়াৰ 'জলকীয়া', 'ৰবাব-টেঙা' আৰু 'ল'ৰা'ক কামৰূপী আৰু গোৱালপৰীয়া উপভাষাত কি বুলি কোৱা হয়?

(জ) মান্য অসমীয়া আৰু গোৱালপৰীয় উপভাষাত ক্রিয়াৰ নঞাৰ্থক ৰূপৰ প্ৰয়োগ সম্বন্ধে চমুকৈ আলোচনা কৰা।

(ঝ) মান্য ভাষা এটাই কি কি কাৰণত উপভাষাত পৰিণত হয় চমুকৈ আলোচনা কৰা।

(ঞ) বৰ্তমান গুৱাহাটী মহানগৰীৰ অসমীয়া ভাষাৰ বিষয়ে সংক্ষিপ্তভাৱে আলোচনা কৰা।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) গোৱালপৰীয়া উপভাষাৰ বিভিন্ন উপভাগবোৰৰ বিষয়ে আলোচনা কৰা।

(খ) অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ সম্পৰ্কে বিষদভাবে আলোচনা কৰা।

(গ) কামৰূপী উপভাষাৰ বিভিন্ন ভাগবোৰৰ বিষয়ে আলোচনা কৰা।



(ঘ) অসমীয়া ভাষাৰ পুৰুষ অনুসৰি সম্বন্ধবাচক বিশেষ্য শব্দবোৰৰ ৰূপৰ পৰিৱৰ্তনৰ মূলতে আৰ্যভিন্ন ভাষাৰ প্ৰভাৱ—আলোচনা কৰা।

৫। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪

(ক) 'বিভিন্ন আৰ্যভিন্ন ভাষাৰ মাজত অসমীয়া ভাষা এটি সৰু দ্বীপৰ লেখীয়া'–অসমীয়া ভাষা সম্পৰ্কত ড. বাণীকান্ত কাকতিৰ উক্ত মতবাদটোৰ যুক্তি-যুক্ততাৰ বিষয়ে বহলাই আলোচনা কৰা।

(খ) অসমীয়া ভাষাৰ উপভাষা সম্পৰ্কে বহলাই আলোচনা কৰা।

(গ) আধুনিক অসমীয়া ভাষাৰ বিকাশত দৃশ্য-শ্ৰব্য মাধ্যমৰ ভূমিকা সম্পৰ্কে বহলাই আলোচনা কৰা।